গতিকে সক্ষমতাই স্বাধীনতাক বুজায়; কিন্তু ৰাউলচৰ তত্ত্বত প্ৰাথমিক দ্ৰব্য বা চাহিদাক (Primary Goods) স্বাধীনতা লাভৰ উপায় হিচাপে উল্লেখ কৰা হৈছে। সেনৰ মতে সম বিতৰণৰ জৰিয়তে উদ্দেশ্য বা কাৰ্যসিদ্ধিৰ নিশ্চয়তা এনে সম স্বাধীনতাই দিব নোৱাৰে। সমাজত মানুহৰ সামৰ্থ্যতাৰ ক্ষেত্ৰত ভিন্নতা স্বাভাৱিক আৰু প্ৰাথমিক চাহিদাক সকলোৱে বিভিন্ন ধৰণে মূল্যায়ন কৰে। সমাজত মানুহৰ সামৰ্থ্যগত ভিন্নতাই কেনেদৰে সম্পদৰাজিক প্ৰকৃত স্বাধীনতালৈ ৰূপান্তৰ কৰে তাৰ ওপৰতেই ন্যায় নিৰ্ভৰশীল। প্ৰাথমিক দ্ৰব্য/সেৱা বা চাহিদা লাভৰ ক্ষেত্ৰত সকলোৱে সমান সান্নিধ্য বা সুবিধা থাকিলেও এনে সামৰ্থ্যৰ ভিন্নতাই স্বাধীনতা লাভৰ সুবিধা আৰু সামৰ্থ্যক প্ৰভাৱিত কৰে।

## ৰাউলচৰ ন্যায় তত্ত্ব
## [RAWL'S THEORY OF JUSTICE]

মাৰ্কিন দাৰ্শনিক জন ৰাউলচে ৰাজনৈতিক তত্ত্বত আগবঢ়োৱা ন্যায় ধাৰণা অতি গুৰুত্বপূৰ্ণ। নব্য উদাৰনৈতিক তত্ত্বৰ এনে ন্যায়ৰ ধাৰণাই ৰাজনৈতিক তত্ত্বৰ বিকাশৰ নতুন মাত্ৰা প্ৰদান কৰিছে। ৰাউলচে "A Theory of Justice" (1971) নামৰ গ্ৰন্থত ন্যায় সম্পৰ্কে ধাৰণা আগবঢ়াইছে। উদাৰনৈতিক ৰাষ্ট্ৰৰ ধাৰণাৰ পুনৰীক্ষণৰ ক্ষেত্ৰত তেওঁৰ অৱদান আছিল গুৰুত্বপূৰ্ণ। ৰাউলচে ১৯৫৮ চনত ন্যায়ক ন্যায্যতাৰ লগত ৰিজাই কৈছিল যে ন্যায় হ'ল সততা বা ন্যায্যতা (Justice as fair or fairness) এনে সময়ত ন্যায়ক আদৰ্শাত্মকভাৱে ন্যায্যতা বুলি প্ৰতিপন্ন কৰা হৈছিল। ১৯৬৭ চনত বিতৰণমূলক ন্যায়ৰ ধাৰণাত ন্যায়ে এনে ধাৰণাৰ পূৰ্ণ বিচাৰ কৰিছিল।

ৰাউলচে তেওঁৰ "A Theory of Justice" নামৰ গ্ৰন্থত সমকালীন পৰিস্থিতিৰ পটভূমিত চাহিদা অনুযায়ী প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। এই সময়ছোৱাত মাৰ্কিন যুক্তৰাষ্ট্ৰত বিভিন্ন সামাজিক আৰু ৰাজনৈতিক আন্দোলন গা কৰি উঠিছিল। বিশেষকৈ নাগৰিক অধিকাৰ আন্দোলন (Civil Rights Movement) কৃষ্ণাংগ সম্প্ৰদায়ৰ স্বাধীনতাৰ আন্দোলন (Black Liberation Movement) ভিয়েটনাম যুদ্ধ, বিৰোধী আন্দোলন, সংখ্যালঘুৰ বাবে সমতাৰ অধিকাৰৰ আন্দোলন আদিয়ে জনসাধাৰণৰ সমাজ আৰু ৰাজনৈতিক জীৱনত প্ৰভাৱ পেলাইছিল। এনে আন্দোলনে ব্যক্তিগত অধিকাৰৰ প্ৰশ্নকে ধৰি সংখ্যালঘুৰ অধিকাৰ, নীতি নিৰ্ধাৰণ আৰু ইয়াৰ প্ৰয়োগৰ ক্ষেত্ৰত সামাজিক ন্যায়, ন্যায়সংগত যুদ্ধ আদি প্ৰশ্নক গুৰুত্ব সহকাৰে বিবেচনা কৰিছিল।

ৰাউলচৰ মতে, এখন ভাল সমাজৰ বহুতো ভাল বিশেষত্ব আছে। এনে উৎকৰ্ষ বা বিশেষত্বৰ ভিতৰত প্ৰথম হ'ল ন্যায়। এখন সুস্থ সবল সুন্দৰ সমাজৰ বাবে ন্যায় আৱশ্যকীয়। কিন্তু এনে ন্যায় সমাজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বাধা হোৱা উচিত নহয়।

ৰাউলচে তেওঁৰ ন্যায় তত্ত্বক পদ্ধতিগত তত্ত্ব হিচাপে ব্যাখ্যা কৰিছে। ন্যায়ৰ নীতিসমূহ যদি সমাজত সৰ্বসন্মতভাৱে গৃহীত হয় তেতিয়া ইয়াৰ বিতৰণ স্বাভাৱিকতে ন্যায়ভিত্তিক হয়। তেওঁ উপযোগিতাবাদক সমৰ্থন কৰা নাছিল য'ত সৰ্বাধিক ব্যক্তিৰ সৰ্বাধিক কল্যাণৰ নীতিক (Greatest happiness of Greatest numbers) মান্যতা দিয়া হয়।

তেওঁৰ মতে, মানুহৰ প্ৰাথমিক প্ৰয়োজনীয় দ্ৰব্য সমভাৱে বিতৰণ হোৱা উচিত। (Primary goods are to be distributed by the state equally, unless an unequal distribution would be to everyone's advantage.) ৰাউলচে স্বাধীনতাৰ বৈষম্যপূৰ্ণ বিতৰণক সমৰ্থন নকৰে যদিও ক্ষেত্ৰ বিশেষে অৰ্থনৈতিক সম্পদৰ অসমান বিতৰণ গ্ৰহণযোগ্য বা সমৰ্থনযোগ্য। সমাজৰ এচাম ব্যক্তিৰ হাতত অধিক সম্পদ পুঞ্জীভূত হোৱাৰ বাবে সমাজত ঈৰ্ষাৰ সৃষ্টি হয়। ৰাউলচে ইয়াক যুক্তিপূৰ্ণ ঈৰ্ষা (reasonable envy) হিচাপে স্বীকৃতি দিছে। এনে ঈৰ্ষাৰ ফলত ব্যক্তি বা মানুহৰ আত্মমৰ্যাদাত আঘাত আহিব পাৰে। মানুহৰ এনে আত্মমৰ্যাদা সামাজিক বৈষম্যৰ ওপৰত নিয়ন্ত্ৰণ হিচাপে কাৰ্যকৰী হয়।

ৰাউলচৰ মতে, মানুহে চুক্তিৰ মাধ্যমেৰে ন্যায় ধাৰণাকে কাৰ্যকৰী কৰে। কিন্তু তেওঁৰ এনে চুক্তিবাদী ধাৰণা হবচ, লক আৰু ৰুছোৰ পৰা পৃথক। এনে চুক্তি সম্পাদনৰ সময়ত বহুতো নৈতিক ৰীতি-নীতি মানুহৰ ওপৰত প্ৰয়োগ কৰা

Scanned with CamScanner

হয়। কাৰণ প্ৰাথমিক অৱস্থাত (original position) যুক্তিবাদী জীৱ হিচাপে মানুহে এনে নৈতিক বিধি-বিধান মানি চলে। এনে ন্যায় প্ৰাকৃতিক বা স্বাভাৱিক আইন নহয়, অথবা যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ন্যায় হ'ল ন্যায্য পদ্ধতিৰ মাজেৰে ন্যায় বিতৰণ। ন্যায় হ'ল সুবিচাৰ বা ন্যায্যতা। (Justice as fairness) সামাজিকভাৱে চুক্তিবদ্ধ হোৱাৰ বাবে প্ৰস্তুত মানুহৰ আদিম অৱস্থাৰ প্ৰসংগত ৰাউলচে অৱগুণ্ঠিত অজ্ঞতাৰ (veil of ignorance) কথা উল্লেখ কৰিছে। ই হ'ল আত্মসচেতনতাহীন অৱস্থা। সমাজত সকলো মানুহৰ জ্ঞান বিচাৰ সমান নহয়। সকলোৰে আৰ্থ সামাজিক অৱস্থাও একে নহয়। এনে লোক আত্ম পৰিচয় সম্পৰ্কত অসচেতন। সমাজৰ যিসকল ব্যক্তিয়ে আটাইতকৈ কম সা-সুবিধা পায়, তেওঁলোকৰ প্ৰতি অধিক নজৰ দিয়া দৰকাৰ। সমাজৰ সকলোৰে মাজত সুযোগ-সুবিধা বিতৰণ কৰিলেও এনে বণ্টনৰ আধাৰ কামৰ আনুপাতিক নহয় বৰঞ্চ সামাজিকভাৱে দুৰ্বল আৰু বঞ্চিত শ্ৰেণী।

ৰাউলচৰ মতে, প্ৰাথমিক বিষয় বা সামগ্ৰীৰ ন্যায্যতাভিত্তিক বিতৰণ সুনিশ্চিত কৰাৰ মাজতেই ন্যায়ৰ সমস্যাৰ সৃষ্টি হয়। এনে প্ৰাথমিক সুবিধাসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল অধিকাৰ, স্বাধীনতা, আয়, সম্পদ, আত্মসন্মানৰ উপায়সমূহ ইত্যাদি এনে সুবিধাসমূহ সমানে বিতৰণ হ'লেহে ন্যায় সম্ভৱ। (All social values liberty and opportunities income and wealth and the bases of self respect are to be distributed equally unless an unequal distribution of any or all of those values is to everyone's advantage.)

ন্যায়ৰ ধাৰণা অত্যন্ত অস্পষ্ট। ৰাউলচে ন্যায্যতা বা সুবিচাৰকে ন্যায় হিচাপে প্ৰতিপন্ন কৰিছে। কিন্তু ই ন্যায়ৰ সম্পূৰ্ণ তত্ত্ব নহয়। এনে প্ৰাথমিক সুবিধাসমূহৰ বিতৰণৰ মাজতেই সংঘাত নিহিত হৈ থাকে। এনে সমস্যাৰ সমাধান হিচাপে তেওঁ কেতবোৰ পৰামৰ্শ আগবঢ়াইছে। দুটা নীতিৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া হৈছে।

**প্ৰথম নীতি** (First Principles) ঃ প্ৰথম নীতি হ'ল সকলোৰে বাবে সমানে মৌলিক স্বাধীনতা। এনে স্বাধীনতাৰ ওপৰত সকলোৰে সমান অধিকাৰ সুনিশ্চিত কৰা দৰকাৰ। মৌলিক স্বাধীনতাৰ ক্ষেত্ৰত ব্যক্তিৰ এনে অধিকাৰ অন্য সকলৰ একেধৰণৰ স্বাধীনতাৰ লগত সামঞ্জস্যপূৰ্ণ হোৱা দৰকাৰ। (Each person is to have an equal right to the most extensive basic liberty compatible with a similar liberty for others.)

**দ্বিতীয় নীতি** (Seond Principle) ঃ ৰাউলচৰ দ্বিতীয় নীতি হ'ল সমাজৰ সকলোৰে বাবে সুযোগ-সুবিধাৰ ক্ষেত্ৰত ন্যায্যতা আৰু সম অধিকাৰ। ইয়াৰ বিভেদ নীতিৰ (Difference Principle) অস্তিত্ব বৰ্তমান। ৰাউলচৰ মতে "Social and economic inequalities are to be arranged so that they are reasonable expected to be to everyone's advantage and in particular to the advantage of the least well off persons.

ন্যায়ৰ এই দ্বিতীয় নীতিটোক সৰ্বাধিক নীতি (Maximum Principle) বুলি কোৱা হয়। ৰাউলচে ন্যায়ৰ ধাৰণাত এনে সৰ্বাধিক শব্দৰ ব্যৱহাৰ কৰিছে। এই নীতিৰ মূল কথা হ'ল ন্যূনতম বা সৰ্বনিম্ন সুবিধাভোগীৰ বাবে সৰ্বাধিক কল্যাণ। তেওঁৰ মতে, ন্যায়ৰ নীতিসমূহৰ দাবী অনুযায়ী ন্যূনতম সামাজিক মান প্ৰতিষ্ঠিত হোৱা প্ৰয়োজন। এনে ন্যূনতম সুবিধাভোগী গোষ্ঠীৰ বিভিন্ন আয় আৰু সুযোগ-সুবিধাসমূহ সৰ্বাধিক কৰাই এই নীতিৰ মূল লক্ষ্য। ফলত এনে নীতিৰ জৰিয়তে সকলো সময়তে ন্যায় প্ৰতিষ্ঠিত হ'ব। সমাজৰ বুনিয়াদী অনুষ্ঠানসমূহে কিদৰে স্বাধীনতা আৰু সমতাৰ মূল্যবোধক অনুধাৱন কৰে, এনে ক্ষেত্ৰত ন্যায়ৰ এনে নীতিয়েহে দিশ নিৰ্ধাৰণ কৰে।

ন্যায় সম্পৰ্কিত ৰাউলচৰ এনে নীতিৰ এটা দ্বিতীয় অংশও আছে। এই অংশ মতে, সামাজিক আৰু অৰ্থনৈতিক বৈষম্যসমূহক এনেদৰে বিনষ্ট কৰিব লাগিব যাতে সুযোগ-সুবিধাৰ সম অধিকাৰৰ উপলব্ধতাৰ ক্ষেত্ৰত বিভিন্ন পদবী আৰু অৱস্থানমুক্ত আৰু সংযুক্ত হৈ থাকে। (Attached to positions and offices open to all) অভিন্ন সামৰ্থ্য আৰু দক্ষতাসম্পন্ন ব্যক্তিৰ জীৱনৰ সুযোগ-সুবিধা অভিন্ন হোৱা দৰকাৰ। ব্যক্তিয়ে কেনেধৰণৰ আয়সম্পন্ন পৰিয়ালত জন্ম গ্ৰহণ কৰিছে সেইটো গুৰুত্বপূৰ্ণ নহয় অথবা ই ন্যায়ৰ আধাৰ হ'ব নোৱাৰে। এনে ধাৰণাত সমাজতান্ত্ৰিক প্ৰকৃতি কিছু পৰিলক্ষিত হয়।

Scanned with CamScanner

**প্ৰথম অগ্ৰাধিকাৰৰ বিধান** (First Priority Rule) ঃ এনে নীতিত সমান সুযোগ-সুবিধাৰ ক্ষেত্ৰত স্বাধীনতাক অধিক গুৰুত্ব দিয়া দেখা যায়। এনে ক্ষেত্ৰত ন্যায়ৰ প্ৰথম নীতিয়ে দ্বিতীয় নীতিৰ তুলনাত অধিক মান্যতা লাভ কৰে। অৰ্থাৎ স্বাধীনতাৰ অধিকাৰৰ ধাৰণাই সামাজিক আৰু অৰ্থনৈতিক সম্পদৰ বণ্টনৰ ক্ষেত্ৰত অধিক অগ্ৰাধিকাৰ লাভ কৰে। অকল স্বাধীনতাৰ বাবেহে স্বাধীনতাৰ নিয়ন্ত্ৰণ সম্ভৱ। এনে সামাজিক আৰু অৰ্থনৈতিক সম্পদে স্বাধীনতা ভোগ কৰাৰ বাবে সুব্যৱস্থা কৰা দৰকাৰ।

**দ্বিতীয় অগ্ৰাধিকাৰৰ নীতি** (Second Priority Principle) ঃ এনে নীতিয়ে সৰ্বাধিক কল্যাণৰ হকে সম্পদৰ সঠিক বিতৰণৰ বাবে সুযোগ-সুবিধাৰ নীতিগত সমতাৰ ওপৰত গুৰুত্ব দিয়ে।

**মূল ধাৰণা** (Basic Concepts) ঃ জন ৰাউলচৰ ন্যায় ধাৰণাৰ মূল বিশেষত্বসমূহ হ'ল —

১। ন্যায়ে সদায় ন্যায্যতা বা সুবিচাৰক বুজায়।

২। সকলো প্ৰাথমিক সামগ্ৰী সমাজত সমানে বিতৰণ কৰা উচিত।

৩। স্বাধীনতা আৰু সমতাৰ উপলব্ধিৰ বাবে উপযুক্ত নীতি নিৰ্ধাৰণ কৰাটো জৰুৰী।

৪। এই সমস্ত প্ৰাথমিক দ্ৰব্যসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল মৌলিক অধিকাৰ, স্বাধীনতা, আত্মসন্মান, সুযোগ আৰু সুবিধা প্ৰভৃতি।

Scanned with CamScanner